# জুবিন গাৰ্গ সোঁৱৰণী ৭৭ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা

নগাঁও ক্ৰীড়া সংস্থাৰ ৭৭ সংখ্যক সৰ্বভাৰতীয় আমন্ত্ৰণমূলক প্ৰাইজমানি স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা আজিৰে পৰা নুৰুল আমিন ষ্টেডিয়ামত আৰম্ভ হৈছে। আজিৰ উদ্বোধনী খেলখনত নগাঁৱৰ ত্ৰিনয়ন গোষ্ঠীয়ে ডিফুৰ কাছাক ২ - ০ গ'লত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ৰাউণ্ডত প্ৰৱেশ কৰিছে। তীব্ৰ উত্তেজনা ভৰা খেলখনৰ ৪৫ মিনিটত ত্ৰিনয়ন গোষ্ঠীৰ পাইখম্বা মেইটেই গ'ল দি নিজ দলক ১ - ০ গ'লৰ অগ্ৰগতি দিয়ে। বিৰতিৰ পাছত কাছা দলে গ'লটো পৰিশোধৰ বাবে উভতি ধৰে যদিও বিপক্ষৰ ৰক্ষণ বিভাগক অতিক্ৰম কৰাত ব্যৰ্থ হয়। খেলৰ অন্তিম মুহূৰ্তত এক সংঘবদ্ধ আক্ৰমণ যোগে ত্ৰিনয়ন দলৰ দিব্যজ্যোতি বৰদলৈয়ে গ'ল দি ২-০ গ'লত নিজ দলৰ জয় নিশ্চিত কৰে। আজিৰ উদ্বোধনী অনুষ্ঠানত ক্ৰীড়া সংস্থাৰ সভাপতি ৰূপক শৰ্মাই জিলাখনত ক্ৰীড়া ক্ষেত্ৰৰ উন্নয়নৰ খতিয়ন দাঙি ধৰে । সংস্থাৰ সম্পাদক তপন কুমাৰ দাস আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত প্ৰতিযোগিতাখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় ফুটবল খেলুৱৈ স্বাধীন ডেকা ৰজাই। ভাষণত পুৰণি চিনাকি এইখন খেলপথাৰতে খেল খেলি যোৱাৰ স্মৃতি ৰোমন্থন কৰি আবেগিক হৈ পৰা পৰিলক্ষিত হয়। তেওঁ প্ৰয়াত নুৰুল আমিনক সোঁৱৰি শ্ৰদ্ধা জনোৱাৰ লগতে জনাই যে তেখেতৰ বাবেই মই তিনিবাৰকৈ সন্তোষ ট্ৰফী খেলাৰ সুযোগ লাভ কৰিছিলো । আজিৰ এই অনুষ্ঠানতে জিলাৰ ৬০ বছৰৰ উৰ্দ্ধৰ ষাঠি গৰাকী পুৰুষ -মহিলা খেলুৱৈ আৰু সংগঠকক সম্বৰ্দ্ধনা জনোৱা হয়।

**আজিৰ খেল :** (১) নুৰুল আমিন ষ্টেডিয়াম : অম্লান গোষ্ঠী বনাম তেজপুৰ ফুটবল ক্লাব।
(২) ৰাইডঙীয়া খেলপথাৰত : হৰিশিঙা টাউন ক্লাব (ওদালগুৰি) বনাম কাৰছাং ফুটবল ক্লাব (মাজুলী) ।

## Zubeen Garg Memorial 77th Independence Day Cup Football Tournament

The 77th All India Invitation Prize Money Independence Day Cup Football Tournament, organised by the Nowgong Sports Association, commenced today at Nurul Amin Stadium. In the opening match, Trinayan Group of Nagaon defeated Kachak of Diphu by 2–0 goals to advance to the pre-quarterfinal round. In a highly exciting contest, Paikhomba Meitei of Trinayan Group scored in the 45th minute to give his team a 1–0 lead. After the break, the Kachak side tried hard to equalise but failed to break through the opposition defence. In the closing moments of the match, Dibyajyoti Bordoloi scored through a combined attack to seal Trinayan's victory at 2–0.

At the inaugural function, Association President Rupak Sharma highlighted the development of sports in the district. The programme, in which Secretary Tapan Kumar Das delivered the welcome address, was formally inaugurated by former international footballer **Swadhin Deka** Raja. In his speech, he became emotional while recalling memories of playing on this very ground. Paying tribute to the late Nurul Amin, he stated that it was because of him that he got the opportunity to play in the Santosh Trophy three times. On the occasion, sixty male and female players and organisers above the age of 60 from the district were felicitated.

**Today's Matches :**

1. Nurul Amin Stadium: Amlan Group vs. Tezpur Football Club
2. Raidongia Playground: Harisinga Town Club (Udalguri) vs. Karsang Football Club (Majuli)